জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৮০/২০২২

## নলবাৰী আৰু কামৰূপ জিলাৰ বিভিন্ন বান ক্ষতিগ্ৰস্ত এলেকা আৰু সাহায্য শিবিৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

# গৃহ, পশু ধনকে ধৰি বানপানীত হোৱা ক্ষয়-ক্ষতিৰ বিষয়ে জনসাধাৰণে প্ৰশাসনক অৱগত কৰিব পৰাকৈ ৰাজ্য চৰকাৰে মুকলি কৰিব এটি পোৰ্টেল ঃ মুখ্যমন্ত্ৰী

# বান ক্ষতিগ্ৰস্ত লোকৰ ক্ষতিপূৰণ আদায় দিয়াৰ বাবে ৰাজ্য চৰকাৰে অতিশীঘ্ৰে ঘোষণা কৰিব সাহায্য পেকেজ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ জুন ঃ** নলবাৰী আৰু কামৰূপ জিলাৰ বান পৰিস্থিতিৰ প্ৰত্যক্ষভাৱে বুজ লোৱাৰ উদ্দেশ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জিলা দুখনৰ বিভিন্ন বান ক্ষতিগ্ৰস্ত এলেকা আৰু সাহায্য শিবিৰ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে নলবাৰী জিলাৰ দেহাৰকুছিস্থিত পশ্চিম বৰিগোগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা মণ্ডপত স্থাপন কৰা বান সাহায্য শিবিৰ পৰিদৰ্শন কৰি তাত থকা লোকসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি প্ৰশাসনে আগবঢ়োৱা সা-সুবিধাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে শিশু খাদ্যকে ধৰি সাহায্য সামগ্ৰী যাতে লোকসকলে পৰ্যাপ্ত পৰিমাণে লাভ কৰে সেয়া সুনিশ্চিত কৰিবলৈও প্ৰশাসনক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে গৃহ, পশু ধনকে ধৰি বানপানীত হোৱা ক্ষয়-ক্ষতিৰ বিষয়ে জনসাধাৰণে প্ৰশাসনক অৱগত কৰিব পৰাকৈ ৰাজ্য চৰকাৰে এটা পোৰ্টেল মুকলি কৰিব। এই পোৰ্টেলত জনসাধাৰণে আংশিক বা সম্পূৰ্ণকৈ ক্ষতিগ্ৰস্ত হোৱা গৃহ, আচবাব আদিৰ ফটো আপলোড কৰি প্ৰশাসনক অৱগত কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে জনসাধাৰণৰ এই বানত হোৱা বিভিন্ন ক্ষয়-ক্ষতিৰ কিদৰে ক্ষতিপূৰণ আদায় দিয়া হ'ব সেই সম্পৰ্কত চৰকাৰে এটি সাহায্য পেকেজ শীঘ্ৰে ঘোষণা কৰিব।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নলবাৰীৰ কালাগস্থিত বৰভাগ মহাবিদ্যালয়লৈ গৈ তাত আশ্ৰয় শিবিৰত থকা লোকসকলে প্ৰশাসনৰ পৰা পোৱা সা-সুবিধাৰ বুজ লয়। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে নলবাৰী জিলাৰ নমাটি মধ্য ইংৰাজী বিদ্যালয় আৰু ১ নং নমাটি প্ৰাথমিক বিদ্যালয় চৌহদত স্থাপন কৰা আশ্ৰয় শিবিৰটো পৰিদৰ্শন কৰি বানাক্ৰান্তৰ অৱস্থাৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে বানপানীৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ মোকাবিলা কৰাৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে সদৰি কৰে যে ভগ্ন মথাউৰিসমূহৰ মেৰামতিৰ কাম অহা নৱেম্বৰ মাহৰ পৰা আৰম্ভ কৰা হ'ব।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

আজিৰ এই পৰিদৰ্শনৰ সময়ত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, সাংসদ দিলীপ শইকীয়া, প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকা, নলবাৰী জিলাৰ উপায়ুক্ত গীতিমণি ফুকন উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে আজি সন্ধিয়া কামৰূপ জিলাৰ চাংসাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে আৰু ইয়াত থকা কেইবাগৰাকী জ্যেষ্ঠ আই-মাতৃৰ লগতে অন্যান্য বানাক্ৰান্ত লোকসকলৰ সৈতে বাৰ্তালাপ কৰি তেওঁলোকৰ অৱস্থাৰ বুজ লয়।

শিবিৰ পৰিদৰ্শন কালত কামৰূপ জিলাৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এন উপস্থিত আছিল।

নিঃকুঃদাঃ
২১/০৬/২০২২